# জাননী

ইয়াৰ দ্বাৰা জনোৱা হয় যে যিসকল জনজাতি সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীয়ে ১ম শ্ৰেণীৰ পৰা ৮ম শ্ৰেণীলৈকে অসমৰ বিভিন্ন চৰকাৰী/ অসম মাধ্যমিক/ মজলীয়া আৰু নিম্ন প্ৰাথমিক বিদ্যালয় ইত্যাদি সমূহত শিক্ষা গ্ৰহণ কৰি আছে, সেইসকল ছাত্ৰ-ছাত্ৰীৰ পৰা ইং ২০১৯-২০ চনৰ প্ৰাক্ প্ৰবেশিকা (Pre-Matric) বৃত্তিৰ বাবে আবেদনপত্ৰ আহ্বান কৰা হ'ল। আবেদন পত্ৰ ৱেবছাইটৰ (**www.directorwptbc.assam**) জৰিয়তে সংগ্ৰহ কৰিব লাগিব।

ছাত্ৰ-ছাত্ৰীসকলে সম্পূৰ্ণ কৰা আবেদন পত্ৰ নিজ নিজ শিক্ষানুষ্ঠানত ইং ২৭/১২/২০১৯ তাৰিখৰ ভিতৰত জমা দিব লাগিব। আনহাতে শিক্ষানুষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা প্ৰ-পত্ৰৰ ভিত্তিত প্ৰস্তাৱ প্ৰস্তুত কৰি ইং ১৫/১/২০২০ তাৰিখৰ ভিতৰত নিজ নিজ এলেকাৰ মহকুমা কল্যাণ বিষয়া আৰু পাৰ্বত্য জিলাৰ ক্ষেত্ৰত উপায়ুক্ত/ মহকুমাধিপতিৰ কাৰ্য্যালয়ত দাখিল কৰিব লাগিব।

শিক্ষানুষ্ঠান সমূহৰ জ্ঞাতাৰ্থে জনোৱা হ'ল যে ২০১৯-২০ ইং বৰ্ষৰ প্ৰস্তাব (Proposal) ওপৰত উল্লেখিত ৱেবছাইটত উপলব্ধ ফৰমেট (Format) মতে প্ৰস্তুত কৰিব লাগিব।

স্বাক্ষৰ/- সঞ্চালক
ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা
শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ সঞ্চালকালয়, অসম
গুৱাহাটী- ৬

বিঃদ্ৰঃ ছাত্ৰ-ছাত্ৰীৰ আবেদনপত্ৰ সংগ্ৰহৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনোৱা হ'ল।

Janasanyog/D/7628/19